Class X
Assamese
Sample Question Paper-2019

Instructions CODE-014

- Please check that this question paper contains 5 printed pages.
- Code number given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains 6 questions.
- **Please write down the Serial Number of the question before attempting it.**
- 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

# অসমীয়া
# ASSAMESE

সময়ঃ 3 ঘণ্টা **Class: X** সৰ্বমুঠ নম্বৰ ঃ 80

***Time allowed: 3 hours*** ***Maximum Marks: 80***

| | | |
|---|---|---|
| **SECTION - A:** | **Reading (Comprehension)** | **15 MARKS** |
| **SECTION - B:** | **Writing** | **25 MARKS** |
| **SECTION - C:** | **Grammar** | **15 MARKS** |
| **SECTION - D:** | **Literature/Test Books** | **25 MARKS** |

## SECTION - A: Reading (Comprehension)

(বোধ পৰীক্ষণ)

**1. তলত দিয়া অনুচ্ছেদটি পঢ়ি নিম্নলিখিত প্ৰশ্ন সমূহৰ উত্তৰ লিখাঃ (15)**

সংসাৰখন বৰ জটিল। এই সংসাৰত নিজকে মানুহ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ অনুশীলনৰ প্ৰয়োজন; এই অনুশীলন বিদ্যাশিক্ষা অৰ্থাৎ জ্ঞানলাভৰ, ধৈৰ্যৰ, সহিষ্ণুতাৰ, অধ্যৱসায়ৰ, কষ্ট, সহিষ্ণুতাৰ। তাৰ লগতে লাগে দয়া, ক্ষমা, কৰুণা, আৰু উদাৰতা। এই গুণবোৰ আহৰণ কৰিবলৈ আমাক আদৰ্শ লাগে। কথাতে কয় "আগৰ গৰু যেনি যায়, পাছৰ গৰুও তেনিয়ে যায়।" - এই কথাই আদৰ্শ অনুসৰণ কৰাকে বুজায়। সেই আদৰ্শ মহৎ লোকৰ আদৰ্শ। আমি মহা-মানৱসকলৰ জীৱনী অধ্যয়ন কৰিলে দেখিম যীশুখৃষ্ট, হজৰত মহম্মদ, শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীমন্ত মাধৱদেৱ আদিৰ জীৱনৰ আদিছোৱা বৰ মধুৰ নাছিল। যীশুখৃষ্টৰ জন্ম হৈছিল গোহালি ঘৰত; হজৰত মহম্মদে শৈশৱতে ঘাট-মাউৰা হৈছিল; শংকৰদেৱো ঘাট মাউৰা হৈছিল; মাধৱদেৱে সৰুকালতেই মাতৃত হেৰুৱাইছিল। তেওঁলোকে নানা আলৈ-আহুকাল, জ্বালা-যন্ত্ৰণা আঁতৰাই থৈ, ধৈৰ্য আৰু অধ্যৱসায়েৰে জীৱন মহৎ কৰি লৈছিল। সংসাৰৰ মায়া-মোহে, জ্বালা-যন্ত্ৰণা, বেথা-বেদনাই জৰ্জৰিত কৰি তোলা মানৱ সমাজৰ বেদনাই, কৰুণ ক্ৰন্দনে তেওঁলোকৰ অন্তৰত গভীৰ বেদনাৰ সৃষ্টি কৰিছিল। সেইবাবে মানুহৰ কল্যাণৰ কাৰণে, পৰিত্ৰাণৰ কাৰণে জীৱন উছৰ্গা কৰি গভীৰ সাধনাত নিমগ্ন হৈছিল। তেওঁলোকৰ জ্ঞানসিন্ধুৰে মানৱ সমাজৰ পাপ-তাপ, জ্বালা-যন্ত্ৰণা ধুই নিকা কৰি মানুহক ভগৱৎপ্ৰেমত উদ্বুদ্ধ কৰি তুলিছিল। সেই ধৈৰ্য, সহিষ্ণুতা আৰু সাধনাৰ মহান আদৰ্শ তেওঁলোকে আমালৈ থৈ গৈছে। আমিও সেই আদৰ্শ অনুশীলন কৰি আমাৰো জীৱন সুন্দৰ আৰু মহীয়ান কৰি তুলিবলৈ সক্ষম হ'ম।

ভগৱানৰ মহান বাণী প্ৰচাৰ কৰিবলৈ যাওঁতে যীশুখৃষ্ট ক্ৰুছ-বিদ্ধ হ'বলগা হৈছিল; হজৰত মহম্মদ, শংকৰদেৱ, মাধৱদেৱে জন্মভূমি চিৰদিনৰ কাৰণে ত্যাগ কৰি প্ৰাণ লৈ পলাই যাবলগা হৈছিল। অথচ তেওঁলোকে আততায়ীক, শত্ৰুক ক্ষমা কৰি তেওঁলোককো ভগৱানৰ বাণীকে শুনাই থৈ গৈছে, তেওঁলোকৰ অন্তৰ হিংসা-দ্বেষ, পাপ-তাপ, কলুষ-কালিমা দূৰ কৰিবলৈ। মহা-মানৱসকলৰ এই মহত্ত্ব আমাৰো শিৰৰ ভূষণ হোৱা উচিত। তেওঁলোকৰ জীৱন-আলেখ্যই আমাক কি শিকায়? হাজাৰ বিপদ-আপদ, বাধা-বিঘিনি আহি আমাৰ জীৱনৰ বাটত আগুৰাই যাওঁতে আমাক বিব্ৰত কৰি তুলিব পাৰে; কিন্তু আমি সাহস আৰু ধৈৰ্যৰে পৰিস্থিতিৰ সন্মুখীন হ'ব লাগিব। উদাৰ হৃদয়েৰে সকলোকে আঁকোৱালি ল'ব পৰা দয়া, কৰুণা, উদাৰতাৰ অধিকাৰী হ'ব পাৰিব লাগিব; তেতিয়া আমাৰ পৰম শত্ৰুকো ক্ষমা কৰিব লাগিব; তেতিয়া আমাৰ শত্ৰু নাইকিয়া হ'ব; মিত্ৰ বাঢ়িব।

এই মনিষীসকলে জীৱনৰ সাধনাত অচল-অটলভাৱে থাকি সফলতা অৰ্জন কৰি, সেই সাধনালব্ধ জ্ঞান জগতৰ কল্যাণৰ কাৰণে প্ৰয়োগ কৰিছিল। তাৰ ফলত নিজেও মহীয়ান হৈছিল আৰু জগতকো সত্য, সুন্দৰ, শিৱৰ সন্ধান দি - "সুন্দৰৰ আৰাধনা, জীৱনৰ খেল" বুলি উপলব্ধি কৰাই জগৎ সৌন্দৰ্যৰ আকৰ বুলি প্ৰমাণিত কৰি থৈ গৈছে। সেইদৰে আমিও যদি আমাৰ জ্ঞান লাভৰ সাধনাত অবিচলভাৱে লাগি থাকো তেনেহ'লে সিদ্ধি লাভ কৰি আমাৰ জীৱন সুন্দৰ কৰি গঢ়ি তুলিব পাৰিম।

বৰ্তমান যুগৰ মহামানৱ মহাত্মা গান্ধীৰ জীৱন-দৰ্শন অধ্যয়ন কৰিলে আমি কি পাওঁ? তেওঁ সোণৰ চামুচ মুখত দি জন্মলাভ কৰা নাছিল। এটি সাধাৰণ মধ্যবিত্ত পৰিয়ালত তেখেতৰ জন্ম হৈছিল। কিন্তু তেখেত সদৌ ভাৰতৰে পিতৃৰূপে আখ্যায়িত হৈ সমগ্ৰ পৃথিৱীৰদ্বাৰাই পূজিত, সন্মানিত হৈছে। কিয়? তাৰ কাৰণবোৰ ফঁহিয়াই চালে দেখিম - ছাত্ৰাৱস্থাত গোপনে মাংস খোৱা, বিড়ি খোৱা, হাতৰ অলংকাৰৰপৰা সোণ চুৰ কৰি বিড়িৰ খৰচ উলিওৱা আদি অপৰাধ কৰি, সেই অপৰাধবোধৰ

বেদনাত জৰ্জৰিত হৈ অনুতপ্ত অন্তৰেৰে চকুলো টুকি টুকি দেউতাকৰ আগত স্বীকাৰোক্তি কৰিছিল। অপৰাধৰ অপৰাধবোধে, স্বীকাৰোক্তিয়ে মনৰ কালিমা ধুই নিকা কৰে। আৰু স্বীকাৰ কৰাৰ সৎ সাহসে মানুহক মহৎ কৰে। তেখেতৰ জীৱনৰপৰা এই আদৰ্শ গ্ৰহণ কৰি আমিও নিজকে মহৎ কৰি গঢ়ি তুলিবলৈ চেষ্টা কৰা উচিত। তেখেতে বিলাতত গৈ মাতৃৰ ওচৰত কৰা প্ৰতিজ্ঞা আখৰে আখৰে পালন কৰিছিল। নিৰামিষ আহাৰ গ্ৰহণৰ ক্ষেত্ৰতো তেখেতে তাৰ গুণাগুণ সম্পৰ্কে পৰীক্ষা-নিৰীক্ষা কৰি নিজে ৰান্ধি-বাঢ়ি খাইও অধ্যয়নত ৰত হৈছিল। সত্যৰ প্ৰতি আগ্ৰহ, সত্যৰক্ষাত দৃঢ়তা, শ্ৰমশীলতা গান্ধীজীৰ জীৱনৰ শ্ৰেষ্ঠ আদৰ্শ।

(ক) জীৱনৰ সাৰ্থকতা কি? **(2)**

(খ) সংসাৰত নিজকে মানুহ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ কি অনুশীলনৰ প্ৰয়োজন? **(2)**

(গ) মহাপুৰুষ সকলে আমালৈ কি অৱদান থৈ গৈছে? **(2)**

(ঘ) মহা-মানৱসকলৰ কোনবোৰ মহত্ত্ব আমাৰ শিৰৰ ভূষণ হোৱা উচিত? **(2)**

(ঙ) গান্ধীজীৰ ছাত্ৰৱস্থাত গঢ় লৈ উঠা বেয়া অভ্যাসবোৰ কি কি আছিল? **(2)**

(চ) মহা-মানৱসকলৰ জীৱন আলেখ্যই আমাক কি শিকায়? **(2)**

(চ) 'অধ্যাৱসায়'ৰ সমাৰ্থক শব্দটো দফাটোৰ পৰা বিচাৰি উলিওৱা। **(1)**

(ছ) দফাটোত থকা যুৰীয়া শব্দবোৰ বিচাৰি লিখা। **(1)**

(জ) দফাটোত এটা ফকৰা যোজনা আছে, বিচাৰি লিখা। **(1)**

## SECTION - B (Writing)

2. **(i) তলত দিয়া সংকেত বাক্যবোৰৰ আলমত গল্প লিখি, তাৰ শিৰোনামা দিয়াৰ লগতে গল্পটোৰ পৰা কি নীতিশিক্ষা পালা লিখা।** **(2+8+2=12)**

এজনী ৰাজহাঁহ -------------- এটাকৈ সোণৰ কণী পাৰে গৃহস্থৰ ধনী হ'বলৈ ইচ্ছা হ'ল। পেটটো ফালি -------------- কণী বিক্ৰী কৰিবলৈ ভাবিলে -------------- পেটটো ফালি কণী নাপালে -------------- হাঁহজনী মৰি থাকিল।

*নাইবা*

**তলৰ যিকোনো এটা বিষয় লৈ ২০০টা মান শব্দৰ ভিতৰত এখন ৰচনা লিখা -**

(ক) অধ্যৱসায়

(খ) গণতন্ত্ৰ দিৱস

**(ii)** তোমাৰ বিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা বাৰ্ষিক খেল-ধেমালিৰ বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰ বাবে এখনি প্ৰতিবেদন যুগুত কৰা। **(8)**

**(iii)** তলত দিয়া যিকোনো এটা ফকৰা-যোজনাৰ ভাবাৰ্থ বুজাই লিখা - **(5)**

(ক) এনেয়ে বুঢ়ী নাচনী, তাতে নাতিনীয়েকৰ বিয়া।

(খ) ফটা কঁথা তিতে মানে গালৈ গধুৰ।

*অথবা*

তুমি ভ্ৰমণ কৰা চহৰ এখনৰ বৰ্ণনা কৰি মোমাইদেউৰালৈ এখনি চিঠি লিখা।

*(চিঠিত নিজৰ নাম সাংকেতিক চিহ্নত লিখিবা)*

## SECTION - C (GRAMMAR)

3. (i) 'অভীপ্সা' শব্দটোত কি উপসৰ্গ যোগ হৈছে, লিখা। (1)

(ii) 'পায়' অনুসৰ্গটো ব্যৱহাৰ কৰি এটা বাক্যত লিখা। (1)

(iii) সন্ধি ভাঙা - (2)

চিন্ময়, নীৰৱ

(iv) বাক্যৰ পৰিৱৰ্তন কৰা - (2)

(ক) ৰামে পিতৃ সত্য পালি লক্ষ্মণ সীতাৰ সৈতে বনলৈ গ'ল। *(যৌগিক বাক্যলৈ)*

(খ) নিয়ম মতে ব্যায়াম কৰিবা তেহে স্বাস্থ্য ভালে থাকিব। *(জটিল বাক্যলৈ)*

(v) সমাৰ্থক শব্দ লিখা *(এটাকৈ)* - (2)

জিভা, দিন

(vi) ছেমিকলন (;) চিহ্ন ব্যৱহাৰ কৰি এটা বাক্য গঠন কৰা। (1)

(vii) শুদ্ধ উত্তৰটো লিখা - (1)

ঢুলীয়া - ঢুল + ঈয়া / ঢোল + ইয়া / ঢোল + ঈয়া

(viii) এটা শব্দত প্ৰকাশ কৰা - (1)

কোনো কথাৰ নিশ্চয় কৰিবলৈ পঠোৱা বিশ্বাসী মানুহ।

(ix) বিপৰীতাৰ্থক শব্দ লিখা - প্ৰেৰণা (1)

(x) বাক্য শুদ্ধ কৰা - (2)

(ক) মনে কৰাঁ, ক খ ৰেখা = খ গ ৰেখা

(খ) মোৰ চকু উঠিছে।

(xi) লিংগ পৰিৱৰ্তন কৰা - তনয় (1)

## SECTION - D (PROSE)

4. (i) তলত দিয়া যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা - (4x2=8)

(ক) "কালিদাসৰ প্ৰতিভাই আমাক আৰু এটি গভীৰ সত্য উপলব্ধি কৰিবলৈ সুযোগ দিলে।" - কালিদাসৰ প্ৰতিভাই আমাক কি গভীৰ সত্য উপলব্ধি কৰিবলৈ সুযোগ দিছে বৰ্ণনা কৰা।

(খ) তাৎপৰ্য ব্যাখ্যা কৰা -

দেখা যায় সকলোকে বান্ধি থোৱা
এনাজৰীডাল আছিল অসমীয়া ভাষা।

(গ) ছাৰ-বাইদেউক পবিনে তাৰ বিয়ালৈ মতাৰ সময়ত তেওঁলোকৰ মাজত হোৱা কথোপকথন খিনি তোমাৰ নিজৰ ভাষাৰে লিখা।

(ঘ) শিক্ষা লাভৰ কালছোৱাত নিউটনে কেনে ধৰণৰ পৰিস্থিতিৰ সন্মুখীন হৈছিল, বুজাই লিখা।

**(ii) চমু উত্তৰ দিয়া** *(যিকোনো এটাৰ)* - **(2)**

(ক) নিউটনৰ যুগান্তকাৰী গ্ৰন্থখনৰ নাম কি? গ্ৰন্থখন কোন চনত প্ৰকাশ হৈছিল?

(খ) ডাকৰ বচন বুলিলে কি বুজা?

(গ) ছাৰক খুৱাবলৈ পবিনৰ দেউতাকে মনে মনে কি ব্যৱস্থা কৰিছিল?

(ঘ) শুকান নেমুটেঙা এটা কেনেকৈ মুখ ৰুচিকৰ আচাৰ হৈ পৰে?

## (POETRY)

**5. (i) উত্তৰ লিখা** *(যিকোনো এটাৰ)* - **(4)**

(ক) প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কাৰ -

“তোমাৰ চৰণ দুই মোৰ মহাধন।
ভকত জনেৰ নিজ তুমিসে জীৱন।।”

(খ) সজাৰ-মইনাটিৰ অনেক-যুগুতি।
দেওমাৰি পাৰ হ’লে এৰিলে পিৰীতি।।

(গ) ‘বহাগীৰ বিয়া’ কবিতাটিৰ মাজেৰে প্ৰকাশ পোৱা অসমীয়া বিবাহ অনুষ্ঠানৰ এটি আভাস দিয়া।

(ঘ) “বাৰে বাৰে সাজিছে কাৰেং
বিশ্ব সভ্যতাৰ। -” কবিতাংশৰ জৰিয়তে কবিয়ে বিশ্বসভ্যতাৰ কাৰেং সজা বুলি কিহক বুজাইছে লিখা।

**(ii) চমু উত্তৰ দিয়া** *(যিকোনো দুটা)* - **(2x2=4)**

(ক) ‘জিকিৰ’ শব্দটোৰ অৰ্থ কি? ইয়াক কিহৰ লগত তুলনা কৰিব পাৰি?

(খ) ব্ৰজাৱলী ভাষাৰ ওপৰত এটি টোকা লিখা।

(গ) ৰঘুনাথ চৌধাৰীৰ ৰচনাৱলীৰ এটি আভাস দিয়া।

(ঘ) চমুটোকা লিখা - পলাশী

**(iii) এশাৰীত উত্তৰ লিখা** *(যিকোনো দুটা)* - **(1x2=2)**

(ক) মাধৱদেৱৰ বৰগীতটোৰ মাজেৰে কি ভক্তিৰ ভাৱ প্ৰকাশ পাইছে?

(খ) জিকিৰত উল্লেখ থকা ‘আদম’ কোন?

(গ) কিমান চনত ৰঘুনাথ চৌধাৰী অসম সাহিত্য সভাৰ সভাপতি হৈছিল?

(ঘ) শৰাইঘাটৰ ৰণৰ মোগল সেনাপতি জন কোন আছিল?

## (SUPPLEMENTARY READER)

**6. (i) তলৰ যিকোনো এটি প্ৰশ্নৰ উত্তৰ লিখা -** **(2)**

(ক) ‘শিশু দিৱস’ বিষয় হিচাপে লৈ এটি টোকা লিখা।

(খ) কুৰূপা ৰাণীৰ সাধুটো তোমাৰ নিজৰ কথাৰে লিখা।

**(ii) চমু উত্তৰ দিয়া -** **(1x3=3)**

(ক) সুধাচন্দ্ৰন কোন?

(খ) ‘চাইনিজ পোলাও’ খাবলৈ কোনে ভাল পাইছিল?

(গ) পদ্ম কাইটি কোন?

===========OOO===========